স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

VOL-13 NO-349 MONDAY 26 FEBRUARY 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

# ডিএইচএছ কানৈ কলেজত মহাৰাষ্ট্ৰৰ ৰ'টাৰী ক্লাবৰ ৫৭জনীয়া দলৰে মত বিনিময়

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৫ ফেব্ৰুৱাৰী ঃ মহাৰাষ্ট্ৰ, পুনেৰ বিভিন্ন ৰ'টাৰী ক্লাবৰ মুঠ ৫৭জনীয়া এটি দলে সমাজৰ বিভিন্ন দিশত যুৱপ্ৰজন্মৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্য ভ্ৰমণ কৰি আজি ডিব্ৰুগড়ত উপস্থিত হৈ বিয়লি ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত এক মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। প্ৰায় ২০খনোৰো অধিক গাড়ীৰে সুবোধ জশীৰ নেতৃত্বত সুদূৰ মহাৰাষ্ট্ৰৰ পৰা যাত্ৰা আৰম্ভ কৰি দলটোৱে আজি বিয়লি ৪.৩০ বজাত ডিএইচএছ কানৈ মহাবিদ্যালয়ত উপস্থিত হয়। মহাবিদ্যালয়ৰ মুখ্যদ্বাৰৰ পৰা সভাস্থলীলৈ গায়ন-বায়ন, ঝুমুৰ, মিচিং বিহুৰে উষ্ম আদৰণি জনাই নিয়া দৃশ্যত দলটোৰ সদস্যসকল আনন্দত আত্মহাৰা হৈ পৰে আৰু ঝুমুৰৰ তালে তালে সকলোৱে নৃত্যত অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে আঁত ধৰা মত বিনিময় অনুষ্ঠানটোত সত্ৰীয়া নৃত্য, বিহু, মিচিং বিহু, ঝুমুৰ, ঢোলবাদন, সৃষ্টিশীল নৃত্য উপভোগ কৰি দলটোৰ সমূহ সদস্য আপ্লুত হৈ পৰাৰ লগতে নৃত্যৰ তালে তালে নাচি এক মধুৰ সন্ধিয়া উপভোগ কৰে। ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণি ভাষণ দিয়া অনুষ্ঠানটোত ডিব্ৰুগড় জিলা ৰ'টাৰী ক্লাবৰ হৈ দলটোক আদৰণি জনাই ডিব্ৰুগড় জিলা ৰ'টাৰী ক্লাবৰ জ্যেষ্ঠ সদস্যা তথা ডিএইচএছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা কল্পনা খাউণ্ডে। মহাৰাষ্ট্ৰ, পুনেৰ ৰ'টাৰিয়ান বিনায়ক পেঠে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত দলটোৰ সমূহ সদস্যই এনে এটি সুন্দৰ ব্যৱস্থাপনাৰ মাজেৰে এক সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ধন্যবাদ জ্ঞাপন কৰে। উক্ত মত বিনিময় অনুষ্ঠানটো কানৈ মহাবিদ্যালয় আৰু ডিব্ৰুগড় ৰ'টাৰী ক্লাবৰ যুটীয়া উদ্যোগত অনুষ্ঠিত কৰাত ডিব্ৰুগড় ৰ'টাৰী ক্লাবৰ জ্যেষ্ঠ সদস্য সমীৰ টড়ী, সভাপতি সাগৰ দত্ত, সম্পাদিকা ববিতা ৰজকৰ লগতে আন বিষয়ববীয়াসকলৰ ভিতৰত প্ৰাসাদ গড ব'লৈৰ নাম উল্লেখনীয়। অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলাত বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা প্ৰতিগৰাকী সদস্য-সদস্যা ক্ৰমে অধ্যাপিকা তথা ৰ'টাৰিয়ান ড° চন্দনা গোস্বামী, অধ্যাপক ড° বিৰাজ দত্ত, অধ্যাপিকা শিখামণি কোচ দেউৰী, অধ্যাপিকা ড° নিৰ্মালি পেগু, অধ্যাপিকা উৰ্মিলা ৰামছিয়াৰী, অধ্যাপক ড° পৰাগজ্যোতি চুতীয়াক অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি অনুষ্ঠানটো সফল কৰি তোলে। উল্লেখ্য যে অনুষ্ঠানটোৰ চিনস্বৰূপে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজিৰ অনুষ্ঠানটোৰ কিছুসংখ্যক স্থিৰচিত্ৰৰ কলাজৰ এখন ফটোগ্ৰাফ দলটোক প্ৰদান কৰে। শেষত শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় ৰ'টৰী ক্লাবৰ জ্যেষ্ঠ সদস্য সমীৰ কুমাৰ টড়ীয়ে।

unt
0.00
quired
caste
our of
Tender
appli-
of Rs.
efund-
ender,
e. The
to 2nd
gainst
mand
ASDC
noney
uld al-
name
in the
ahati-
sub-
docu-
ence